## তত্ত্বাৱধায়কৰ কলমৰ পৰা ....





শব্দৰ ৰং, অনুভৱৰ তুলিকা আৰু সেই তুলিকাৰে অঁকা সাহিত্যৰ এখনি কেনভাছ....য'ত উজলি উঠে ধাৱমান জীৱনৰ সোঁত। তেনে এক বৰ্ণময় সোঁতেৰে 'প্ৰগতি' বৈ আছে শব্দৰ সন্ধানত বছৰ বাগৰি ।

সাহিত্য, সংগীত তথা নৃত্যকলাৰ মাজেদি প্ৰকাশ পায় জীৱনৰ সুন্দৰতা। সত্যই পৰমব্ৰহ্ম । সাহিত্যৰ জৰিয়তে সত্যক জনমানসৰ মাজত প্ৰতিপন্ন কৰাটোৱেই হৈছে সাহিত্যিকসকলৰ মহান উদ্দেশ্য । সাহিত্য এবিধ কলা। আৰু এইবিধ কলাৰ জৰিয়তে বুদ্ধিমত্তা প্ৰকাশি উঠে। অনুভূতি, সৌন্দৰ্য, শিল্পৰ সাধনা আৰু লেখকজনৰ বাস্তৱ জীৱনৰ অনুভূতিৰ অনন্য সাধনাই সাহিত্যৰ মাজেৰে প্ৰকাশ লাভ কৰে।

এক কথাত লিখন শিল্পক আমি সাহিত্য বুলি কওঁ। প্ৰাত্যাহিক জীৱনৰ আৱেগ-অনুভূতি, আশা- ভাৱসা, হতাশা- অস্থিৰতা, বৰ্বৰতা, সীমাহীন ভালপোৱা, বিচ্ছিন্নতাৰ লানি নিছিগা বতাহ- এইবোৰেইতো সাহিত্যৰ সমল। জীৱন ৰঙৰ মেলা । এই ৰঙত ডুবি থাকে নতুনৰ প্ৰত্যয়ভৰা অনেক সাৱলীল প্ৰতীক্ষাৰ জিজ্ঞাসা। ৰূপান্তৰৰ সেউজী পথেৰে ধাৱমান সপোনৰ পম খেদি মোৰ হেঁপাহৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাছকবনীয়া লেখা আৰু আপোন সহকৰ্মীসকলে তাৰ মাজে মাজে সিঁচি দিয়া অলেখ ৰঙৰ সমাহাৰেৰে সাজু হৈ উঠিছে মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'প্ৰগতি'।

সাহিত্যৰ বিশাল জলধাৰাৰ স'তে মিলিব পৰাৰ জোখেৰে নতুনৰ লেখাবোৰ তেনেই অপৈণত হাতৰ ফচল। অথচ তাৰ মাজতো কিবা এটা লেখিব খোজাৰ দৰে দুৰন্ত সাহসৰ অতুল্য ৰামধেনুয়েই তেওঁলোকৰ অফুৰন্ত উদ্যমক বিকশাই তুলিছে। ৰঙীন চকমকীয়া বস্তুবাদী পৃথিৱীত উটি ভাঁহি নগৈ সাহিত্যৰ মাজেৰে নতুনৰ সেন্দুৰীয়া ৰেখা অংকন কৰিব পৰাটোও এক প্ৰচণ্ড দৃঢ়তা । তেনে দৃঢ়তা মোৰ আপোন ছাত্ৰ-ছাত্ৰীসকলৰ সিৰা-উপসিৰাৰে বিয়পি আছে। তেওঁলোকৰ এই সাহিত্য প্ৰেমৰ বাবেই বছৰি জন্ম হৈ আহিছে সেউজীয়া মুকুতাৰ চিন্তা-চেতনাৰ অপৰূপ বীজ । সেই বীজৰ নামেই 'প্ৰগতি'।

আশা- সপোন বিভোৰ ৰঙৰ শান্ত-সমাহিত গুণে প্ৰগতিয়ে সন্ধান কৰক নতুন প্ৰত্যয়েৰে জীৱন-চেতনা। এগাগৰি শব্দৰ এক ন-পোহৰৰ বাটেৰে উদ্ভাসি দশোদিশ উজলাই তোলক প্ৰগতিয়ে। প্ৰতিজন সচেতন ছাত্ৰ-ছাত্ৰীৰ সেউজীয়া বুকুৰে 'প্ৰগতি'ৰ সৃষ্টিশীল নৈ বৈ থাকক।

বিশ্বাস - 'প্ৰগতি'ৰ বুকুতে ঠন ধৰি উঠিব সাহিত্যৰ এজোপা সেউজীয়া গছ....গছ হৈ ক্ৰমশঃ এজোপা বোধিদ্ৰুম।

ধন্যবাদেৰে

ড° বৃষ্টি কলিতা

# সূচীপত্ৰ


প্ৰবন্ধৰ বাকৰিত

| | | |
|---|---|---|
| ◆ যোগ প্ৰাণায়ম এক মহৌষধি | শ্ৰীভূপেন কুমাৰ নাথ | ১-৩ |
| ◆ ভূমিকম্প আৰু উত্তৰ পূৰ্বাঞ্চল | ড° মহানন্দ বড়া | ৪-৯ |
| ◆ বিশ্বায়নৰ সময়ত কুটিৰ শিল্প | ৰবিন কুমাৰ কলিতা | ১০-১১ |
| ◆ সাম্প্ৰতিক মুদ্ৰাস্ফীতি আৰু দেশৰ জনসাধাৰণ | লীনা কুমাৰী বৰা | ১২ |
| ◆ শ্ৰীশ্ৰী শংকৰদেৱৰ জীৱন দৰ্শনত প্ৰতিফলিত হোৱা শিক্ষা নৈতিক, অৰ্থনৈতিক মানৱতা আৰু পৰিৱেশ সচেতনতাৰ দিশ | কবিতা মেধি | ১৪-১৪ |
| ◆ ক্ৰমবৰ্দ্ধমান শিক্ষাব্যৱস্থা | দিলীপ শইকীয়া | ১৫-১৯ |
| ◆ অভিব্যক্তি স্বাধীনতা (আজাদী) নাম ও গুণ্ডাগিৰি | ড° গুনেশ্বৰ ডেকা | ২০-২২ |
| ◆ শূন্যতা ডট কম্ | ড° বৃষ্টি কলিতা | ২৩- ২৯ |
| ◆ ভাৰতৰ গ্ৰন্থাগাৰ·বিজ্ঞানৰ পিতৃ পুৰুষ ড° এছ আৰ ৰংগনাথন | শ্ৰী চন্দ্ৰকান্ত বৰা | ৩০-৩১ |
| ◆ মায়ং-পবিতৰা উত্তৰ-পূব পৰ্যটনৰ এক অনিৰ্বচনীয় ক্ষেত্ৰ | ড° উৎপল নাথ | ৩২-৩৮ |
| ◆ জীৱনৰ শান্তি বিচাৰি | শ্ৰী অতুল চন্দ্ৰ নাথ | ৩৯-৪০ |

| | | |
|---|---|---|
| আছুতীয়া সাক্ষাৎকাৰ | | ৪১-৪৩ |
| ◆ মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ নৱ নিযুক্ত অধ্যক্ষ ড° মহানন্দ বড়াৰ স'তে আছুতীয়া সাক্ষাৎকাৰ | | |

**English Section**

| | | |
|---|---|---|
| ◆ Jonbeel Mela | Deepjyoti Saikia | ৪৬ |
| ◆ My Teacher is my Hero | Deepjyoti Saikia | ৪৭ |

কবিতাৰ কুঁকি

| | | |
|---|---|---|
| ◆ জীৱন | ৰুদ্ৰ ছেত্ৰী | ৪৯ |
| ◆ মৰিগাঁৱলৈ আহিবা | বিপুল মণ্ডল | ৪৯ |
| ◆ প্ৰেমৰ অনুভূতি | অনুপম বিশ্বাস | ৫০ |
| ◆ যৌবন | মানিক নাথ | ৫০ |
| ◆ যন্ত্ৰণাৰ বিলাপ | ড° বৃষ্টি কলিতা | ৫১ |
| ◆ শিক্ষাগুৰু | লিপিকা দেৱী | ৫১ |
| ◆ এজাক বৰষুণ | শিৱাজিৎ বিশ্বাস | ৫২ |
| ◆ আই | চন্দ্ৰ কান্ত বৰা | ৫২ |
| ◆ মায়াবী মায়ং | ৰাকেশ মণ্ডল | ৫৩ |
| ◆ নদীবোৰ নদী হৈ থাকিবলৈ দে | চন্দ্ৰ কান্ত বৰা | ৫৩ |
| ◆ তোমাৰ কথা ভাবিলে | প্ৰাঞ্জল ৰংপি | ৫৩ |
| ◆ জীৱনৰ ধুমুহা | লিপিকা মণ্ডল | ৫৪ |
| ◆ তুমি আৰু নাই | নিতুমনি ডেকা | ৫৫ |
| ◆ আকোলতা | হিমাদ্ৰী দেৱী | ৫৬ |